| PUBLICATION NAME : | Dainik Batori Kakot |
|---|---|
| DATE : | 04/03/2025 |
| PAGE : | 06 |

# উদ্যমিতাৰ ১৬ সংখ্যক দ্বি-বাৰ্ষিক সন্মিলন আয়োজন ইডিআইআইৰ

**গুৱাহাটী,৩ মার্চঃ** আহমেদাবাদৰ এণ্ট্ৰাপ্ৰিনিউৰশ্বিপ ডেভেলপমেন্ট ইনষ্টিটিউট অব ইণ্ডিয়াই ২৬ফেব্ৰুৱাৰীৰ পৰা প্ৰতিষ্ঠানটোৰ চৌহদত আৰম্ভ কৰিছে ১৬ সংখ্যক দ্বি-বাৰ্ষিক সন্মিলন। সন্মিলনখন উদ্বোধন কৰে মুখ্য অতিথি, আহমেদাবাদৰ টি ভি ৰাও লাৰ্নিং চিষ্টেমছ প্ৰাইভেট লিমিটেডৰ প্ৰতিষ্ঠাপক তথা অধ্যক্ষ, আহমেদাবাদৰ ইণ্ডিয়ান ইনষ্টিটিউট অব মেনেজমেণ্টৰ প্ৰাক্তন অধ্যাপক ড° টি ভি ৰাওৱে। উদ্বোধনী অনুষ্ঠানত ভাষণ দি তেওঁ কয়, 'দ্ৰুতগতিত আগবাঢ়িব ধৰা অৰ্থনীতিত অৰ্থনৈতিক বিকাশ আৰু পেছাদাৰী উন্নতিৰ বাবে উদ্যমিতাৰ বিকাশ অতি গুৰুত্বপূৰ্ণ। মই বিশ্বাস কৰোঁ যে উদ্যোগীকৰণ এটা মিছন, এক শক্তিশালী শক্তি য'ত ব্যক্তিসকলে বাস্তৱ জগতৰ সমস্যা সমাধানৰ বাবে প্ৰযুক্তি আৰু উদ্ভাৱনৰ সহায় লয়, সকলোৰে বাবে এক উন্নত ভৱিষ্যত সৃষ্টি কৰে।' উপস্থিত সভাক উদ্দেশ্যি ই ডি আই আইৰ সঞ্চালক প্ৰধান ড° সুনীল শুক্লাই ভাষণ দি কয়, 'দ্বি-বাৰ্ষিক সন্মিলনে বিশ্বজুৰি গৱেষক আৰু শিক্ষাবিদসকলৰ বাবে উদ্যমিতাৰ জটিলতাসমূহ বোধগম্য হোৱাকৈ তেওঁলোকৰ ধাৰণা আৰু উদ্ভাৱনসমূহ ভাগ-বতৰা কৰিবলৈ ধাৰাবাহিকভাৱে এক মঞ্চ প্ৰদান কৰি আহিছে। প্ৰতিনিধিত্ব কৰাৰ লগতে, আঁত ধৰে আই আই এল এম দিল্লীৰ সঞ্চালক প্ৰধান অধ্যাপক ড° হৰিবংশ চতুৰ্বেদীয়ে। ইয়াত পেনেলিষ্টসকলৰ ভিতৰত আছিল ইণ্ডিয়ান ইনষ্টিটিউট অব মেনেজমেণ্ট ৰাঁচীৰ সঞ্চালক অধ্যাপক ড° দীপক কুমাৰ শ্ৰীবাস্তৱ, ইণ্ডিয়ান ইনষ্টিটিউট অব টেকনলজি গান্ধীনগৰৰ সঞ্চালক অধ্যাপক ড° ৰজত মুনা; আহমেদাবাদৰ গুজৰাট টেকনলজিকেল ইউনিভাৰ্ছিটিৰ উপাচাৰ্য অধ্যাপক ড° ৰাজুল কে গজ্জাৰ; আহমেদাবাদৰ আদানী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ৰবি পি সিং আৰু গান্ধীনগৰৰ নেচনেল ইনষ্টিটিউট অব ফেশ্বন টেকন'লজিৰ সঞ্চালক অধ্যাপক ড° সমীৰ সুদ। সন্মিলনৰ আন এটা গুৰুত্বপূৰ্ণ অনুষ্ঠান আছিল ডক্টৰেল কল'কিয়াম, য'ত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা পিএইচডি. বিদ্বান আৰু এফ পি এমৰ ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ গৱেষণামূলক কামত পৰামৰ্শ আগবঢ়োৱা হৈছিল।